<u>প্ৰতিবেদনযোগ্য</u>

**ভাৰতৰ উচ্চতম ন্যায়ালয়**

**ফৌজদাৰী আপীলীয় ক্ষেত্ৰাধিকাৰ**

**ফৌজদাৰী আপীল নং ৮৭৯- ২০০৪**

মুছাউদ্দিন আহমেদ ............ আবেদনকাৰী

বনাম

অসম ৰাজ্য ............. উত্তৰদাতা

# ৰায়

ন্যায়াধীশ ড. চৌহান,

১. এই আপীলটো গৌহাটী উচ্চ ন্যায়ালয়ৰ ক্ৰিমিনেল (ফৌজদাৰী) আপীল নং ১৮৮/২০০৩-ত গৃহীত ২০-০২-২০০৪তাৰিখৰ ৰায় আৰু নিৰ্দেশৰ বিৰুদ্ধে অগ্ৰাধিকাৰ দিয়া হৈছে, যাৰ দ্বাৰা গুৱাহাটীস্থিত সত্ৰ আদালত, কামৰূপৰ চেচন কেচ নং ৮৭(কে)/৯৭ (জি.আৰ. ৪৭/৯৫)-ত ৰায় আৰু নিৰ্দেশৰ বিৰুদ্ধে আপীল খাৰিজ কৰা হৈছিল, য'ত আপীলকাৰীক ভাৰতীয় দণ্ডবিধিৰ ৩৭৬ধাৰা (সংক্ষেপে "IPC")ৰ অধীনত দোষী সাব্যস্ত কৰা হৈছিল আৰু দহ বছৰৰ বাবে সশ্ৰম কাৰাদণ্ড আৰু ২,০০০/- টকাৰ জৰিমনাৰ শাস্তি প্ৰদান কৰা হৈছিল, অন্যথা ছয়মাহৰ অতিৰিক্ত কাৰাদণ্ডেৰে দণ্ডিত কৰিছিল। অৱশ্যে, উচ্চ ন্যায়ালয়ে শাস্তি চাৰি বছৰলৈ আৰু জৰিমনা ২,০০০/- টকালৈ হ্ৰাস কৰিছে।

২. এই গোচৰটো সৃষ্টি কৰা তথ্য আৰু পৰিস্থিতি হৈছে এইয়ে যে, আপীলকাৰী মুছাউদ্দিন আহমেদ ওৰফে মুছাই ০৭-০১-১৯৯৫ তাৰিখত

মীৰা বেগম নামৰ এগৰাকী নাবালিকাক অপহৰণ কৰি এখন হোটেলত লৈ গৈ ধৰ্ষণ কৰিছিল।

৩. ভুক্তভোগী, বাদী নং ৪- মীৰা বেগমে গুৱাহাটীৰ পল্টনবজাৰ আৰক্ষী থানাৰ অন্তৰ্গত গান্ধীবস্তীৰ বাদী নং ২- আব্দুল হাই লসকৰ আৰু তেওঁৰ পত্নী, বাদী নং ৩- হাছমত আৰা বেগমৰ ঘৰত পৰিচাৰিকা হিচাপে কাম কৰিছিল। আপীলকাৰী সেই অঞ্চলৰ ইমৰান শ্বাহ নামৰ এজন লোকৰ ঘৰত নিৰাপত্তাৰক্ষী আছিল। আপীলকাৰী আৰু ভুক্তভোগী ছোৱালী দুয়ো ইজনে সিজনক আগৰে পৰাই জানিছিল।

৪. অভিযোগ অনুসৰি, ০৭-০১-১৯৯৫-ত, বাদী নং ৪- মীৰা বেগমে নিয়োগকৰ্তা বাদী নং ২- আব্দুল হাই লসকৰ আৰু বাদী নং ৩- হাছমত আৰা বেগমক নজনোৱাকৈ, পৰিচিত চুলেমান নামৰ তেওঁৰ এজন পৰিচিত লোকৰ সৈতে চিৰিয়াখানা চাবলৈ গৈছিল। চিৰিয়াখানাৰ পৰা উভতি অহাৰ সময়ত উলুবাৰী চকৰ ওচৰত তেওঁলোকে আপীলকাৰীক লগ পাইছিল। তেওঁলোকক একেলগে দেখা পোৱাৰ লগে লগে আপীলকাৰীজন খৰ্গহস্ত হৈছিল আৰু চুলেমানক চৰ মাৰিছিল লগতে তেওঁলোকক আৰক্ষীৰ হাতত সমজাই দিয়াৰ ভাবুকি দিছিল। ভয় খাই চুলেমান পলাই যায়। আপীলকাৰীয়ে ভুক্তভোগী ছোৱালী- বাদী নং ৪- মীৰা বেগমক আৰক্ষী থানালৈ লৈ যোৱাৰ অজুহাত দেখুৱাই ছোৱালীজনীক পল্টনবজাৰত অৱস্থিত সোধি হোটেললৈ লৈ গৈছিল। হোটেলখনত তেওঁ ভুৱা নামেৰে এটা কোঠা ভাড়াত লৈছিল আৰু তাইক গোটেই ৰাতিটো কোঠাত ৰাখি তিনিবাৰ ধৰ্ষণ কৰিছিল। পিছদিনা ৰাতিপুৱা তেওঁ তাইক এখন ৰিক্সাত পঠিয়াই দিছিল। বাদী নং ৪- মীৰা বেগমে হাজি মুছাফিৰখানাৰ ওচৰৰ এজন ব্যক্তিৰ ঘৰলৈ আহিছিল আৰু টেলিফোনযোগে তেওঁৰ নিয়োগকৰ্তাক ঘটনাটোৰ বিষয়ে অৱগত কৰিছিল। বাদী নং ২- আব্দুল হাই লসকৰে ছোৱালীজনীক

তেওঁৰ ঘৰলৈ লৈ আহিছিল আৰু তেতিয়া তাই গোটেই ঘটনাটো বৰ্ণনা কৰিছিল। বাদী নং ২-আব্দুল হাই লাস্কাৰে ০৮-০১-১৯৯৫-ৰ ৰাতিপুৱা ঘটনাটোৰ সম্পৰ্কত লিখিত FIR দাখিল কৰিছিল। আৰক্ষীয়ে FIR পঞ্জীয়ন কৰিছিল আৰু তদন্তটো বাদী নং ৭- আৰক্ষীৰ উপ-পৰিদৰ্শক- কনক চন্দ্ৰ দাসে কৰিছিল। তদন্তৰ সময়ত তেওঁ বাদী নং ১- ড. প্ৰতাপ চন্দ্ৰ শৰ্মাৰ দ্বাৰা ভুক্তভোগী ছোৱালীগৰাকীৰ স্বাস্থ্য পৰীক্ষা কৰাইছিল। বাদী নং ৫- গুৱাহাটীৰ প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ- পাৰ্থিব জ্যোতি শইকীয়াই ১৬৪ধাৰাৰ ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ অধীনত (সংক্ষেপে "Cr.P.C") ভুক্তভোগী ছোৱালীৰ সাক্ষ্য লিপিবদ্ধ কৰিছিল।

৫. তদন্ত সম্পূৰ্ণ কৰি বাদী নং ৭- কনক চন্দ্ৰ দাসে অভিযুক্তজনৰ বিৰুদ্ধে IPC-ৰ ধাৰা ৩৬৬/ ৩৪২/ ৩৭৬ৰ অধীনত অভিযোগ-পত্ৰ দাখিল কৰিছিল।

৬. গোচৰটো সত্ৰ আদালতত commit (দাখিল) কৰাৰ পিছত আপীলকাৰীৰ বিৰুদ্ধে IPC-ৰ ধাৰাৰ অধীনত অভিযোগ গঠন কৰা হৈছিল। আপীলকাৰীয়ে অভিযোগটোত দোষী নহয় বুলি স্বীকাৰ কৰিছিল আৰু ফলস্বৰূপ বিচাৰ আৰম্ভ হয়।

৭. বিচাৰৰ সময়ত বিচাৰপক্ষই তদন্তকাৰী বিষয়া সহ সাতজন সাক্ষীক পৰীক্ষা কৰিছিল। বিচাৰ আদালতে আপীলকাৰীক IPC-ৰ ৩৭৬ধাৰাৰ অধীনত শাস্তিযোগ্য অপৰাধৰ বাবে দোষী সাব্যস্ত কৰে আৰু তেওঁক দহ বছৰৰ সশ্ৰম কাৰাদণ্ড লগতে ২,০০০/- টকাৰ জৰিমনা পৰিশোধ কৰিব, অন্যথা অতিৰিক্ত ছয় মাহৰ কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে।

৮. ক্ষতিগ্ৰস্তহৈ আপীলকাৰীয়ে উচ্চ ন্যায়ালয়ৰ আগত আপীল উত্থাপন কৰিছিল। উচ্চ ন্যায়ালয়ে IPC-ৰ ৩৭৬ধাৰাৰ অধীনত দোষী সাব্যস্তকৰণক সমৰ্থন কৰিছিল কিন্তু, শাস্তিৰ ম্যাদ চাৰি বছৰ আৰু ১,০০০/- টকালৈ

জৰিমনা পৰিশোধ হ্ৰাস কৰিছিল আৰু অন্যথা এক মাহৰ বাবে অতিৰিক্ত কাৰাদণ্ডেৰে দণ্ডিত কৰিছিল। সেয়েহে এই আপীলৰ উত্থাপন কৰা হয়।

৯. আপীলকাৰীৰ পৰামৰ্শদাতা বিশাল অৰুনে উপস্থাপন কৰে যে, ভুক্তভোগী ছোৱালীৰ বয়স ওঠৰ বছৰ আছিল। যদিও, অভিযোগৰ গোচৰটো বিশ্বাস কৰা হয়, ধৰ্ষণৰ অভিযোগ প্ৰমাণিত কৰিব নোৱাৰি। আপীলকাৰী লগতে ভুক্তভোগী ছোৱালী- বাদী নং ৪ মীৰা বেগম চুবুৰীয়া আছিল আৰু ইজনে সিজনক চিনি পাইছিল। ০৭-০১-১৯৯৫ত তাই চুলেমানৰ সৈতে চিৰিয়াখানালৈ গৈছিল। যেতিয়া তাই চুলেমানৰ সৈতে গৈ আছিল, তেতিয়া তেওঁলোকে আপীলকাৰীক লগ পাইছিল, তেতিয়া তেওঁ দুয়োকে গালি পাৰিছিল। চুলেমান ভয়তে পলাই গৈছিল। আপীলকাৰীয়ে ভুক্তভোগী ছোৱালীক তেওঁৰ লগত যাবলৈ কৈছিল আৰু তাইক এখন ৰিক্সাত লৈ গৈছিল। দুয়োজনে ৰিক্সা আৰু চিটি বাছত চহৰখন ঘূৰি ফুৰিছিল আৰু ৰাতি প্ৰায় ৯বজাত আপীলকাৰীয়ে ভুক্তভোগী ছোৱালীজনীক পল্টন বজাৰৰ হোটেল চৌধুৰীলৈ লৈ গৈছিল, য'ত তেওঁ কোঠা ভাড়ালৈ লৈছিল। ভুক্তভোগী ছোৱালীগৰাকী আপীলকাৰী সৈতে সেই কোঠালৈ গৈছিল। আপীলকাৰীয়ে দুৱাৰ আৰু খিৰিকী বন্ধ কৰি তাইক ধৰ্ষণ কৰিছিল। দুয়োজনেই গোটেই ৰাতি তাত আছিল আৰু পিছদিনা হোটেলৰ পৰা ওলাই গৈছিল। আবেদনকাৰীয়ে ভুক্তভোগী ছোৱালীক মুছাফিৰখানাৰ ওচৰত এৰি গুচি যায়।

১০. আপীলকাৰীৰ বিদ্বান পৰামৰ্শদাতাই উপস্থাপন কৰে যে, এই সময়ছোৱাত যদি এয়া কোনো সন্মতি নথকা গোচৰ আছিল, তেন্তে ভুক্তভোগী ছোৱালীৰ আৰক্ষী বা হোটেলত বা পথত থকা আন যিকোনো ব্যক্তিক ঘটনাটোৰ বিষয়ে অৱগত কৰিবলৈ পৰ্যাপ্ত সময় আৰু সুযোগ আছিল। ধাৰা ১৬৪ Cr.P.C-ৰ অধীনত নথিভূক্ত কৰা ভুক্তভোগী ছোৱালীৰ

সাক্ষ্যই প্ৰকাশ কৰিছিল যে, তেওঁ বহুসময় ধৰি আপীলকাৰীৰ সৈতে আছিল আৰু ৰিক্সা আৰু বাছত চহৰখন ঘূৰি ফুৰিছিল। তাই কোনো প্ৰতিবাদ নকৰাকৈ হোটেললৈ আৰু আপীলকাৰীৰ সৈতে কোঠালৈ গৈছিল, গোটেই ৰাতিটো তেওঁৰ সৈতে কটাইছিল, ৰাতিপুৱা checking out কৰি হোটেলখনৰ পৰা বাহিৰলৈ ওলাই আহিছিল, হোটেলৰ পৰা মুসাফিৰখানালৈ ৰিক্সা এখনত তেওঁৰ সৈতে যাত্ৰা কৰিছিল, কিন্তু কোনো ধৰণৰ হুলস্থূল কৰা নাছিল বা কাকো জনোৱা নাছিল যে, আপীলকাৰীয়ে তেওঁৰ সৈতে কোনোধৰণৰ দুৰ্ব্যৱহাৰ কৰিছিল। ভুক্তভোগী ছোৱালীৰ এনে আচৰণে গোচৰটো অবিশ্বাস্য কৰি তোলে। বাদী নং ১- ড. প্ৰতাপ চন্দ্ৰ শৰ্মাই স্বাস্থ্য পৰীক্ষাৰ পৰা গ'ম পালে যে, ছোৱালীজনী যৌন সম্পৰ্কত অভ্যস্ত আছিল আৰু তেওঁৰ শৰীৰ বা ব্যক্তিগত অংশত কোনো ধৰণৰ আঘাত নাছিল। ভুক্তভোগী ছোৱালীজনীক- বাদী নং ৪ হিচাপে পৰীক্ষা কৰা হৈছিল। আদালতত ছোৱালীজনীৰ সাক্ষ্য লগতে ধাৰা ১৬৪ Cr.P.C-ৰ অধীনত নথিভুক্ত কৰা তেওঁৰ বিবৃতিত গুৰুতৰ বিসংগতি আছে। ভুক্তভোগী ছোৱালীয়ে আদালতত সাক্ষ্য দিছিল যে, ঘটনাৰ তাৰিখত প্ৰায় ১০বজাত তেওঁ ৰাস্তাৰে ওলাই গৈছিল। আপীলকাৰীগৰাকী তাত আছিল আৰু তেওঁক চিনেমা হললৈ লৈ যোৱাৰ অজুহাত দেখুৱাই আপীলকাৰীয়ে ছোৱালীজনীক এখন ৰিক্সাৰে পল্টন বজাৰ অঞ্চললৈ লৈ গৈছিল য'ত, হোটেলত এটা কোঠা ভাড়াত লৈছিল আৰু ছোৱালীজনীক ধৰ্ষণ কৰিছিল। এয়া এক বলপূৰ্বক কাৰ্য্য আছিল। examination-in-chief(সাক্ষ্য)ৰ ক্ষেত্ৰত তেওঁ চুলেমানৰ সৈতে নিৰ্দিষ্ট দিনটোত চিৰিয়াখানালৈ যোৱাৰ বিষয়ে একো কথা প্ৰকাশ কৰা নাছিল। অৱশ্যে, cross- examination(জেৰা)ৰ সময়ত তেওঁ কৈছিল যে, চুলেমানে তেওঁক গাড়ীত চিৰিয়াখানালৈ লৈ গৈছিল। চিৰিয়াখানাৰ পৰা

উভতি অহাৰ সময়ত তেওঁ উলুবাৰী চকত আপীলকাৰীক লগ পাইছিল। আপীলকাৰীয়ে চুলেমানক আঘাত কৰিব বিচাৰিছিল, সেয়েহে তেওঁ পলাই গৈছিল। হোটেলত বা পিছদিনা হোটেলৰ পৰা অহাৰ সময়ত বা ৰাস্তাত ঘটনাটোৰ বিষয়ে কিয় কাকো জনাব নোৱাৰিলে বুলি সোধা-পোছা কৰাৰ সময়ত ভুক্তভোগী ছোৱালীয়ে তেওঁৰ cross- examination(জেৰা)ত কোনো ব্যাখ্যা দিব নোৱাৰিলে। দুয়োদিনৰ সময়ছোৱাত ভুক্তভোগী ছোৱালীৰ আচৰণৰ পৰা অনুমান কৰিব পাৰি যে, এয়া এক স্পষ্ট সন্মতিৰ ঘটনা আছিল।

১১. ভুক্তভোগী ছোৱালীৰ বয়সৰ প্ৰশ্নৰ ক্ষেত্ৰত, বাদী নং ১- ড. প্ৰতাপ চন্দ্ৰ শৰ্মাই পৰীক্ষা কৰি মতপ্ৰকাশ কৰিছিল যে, তেওঁৰ বয়স ১৮বছৰ আছিল। ভুক্তভোগী ছোৱালীৰ মতে ঘটনা সংঘটিত হোৱাৰ সময়ত তাইৰ বয়স মাত্ৰ ১৩বছৰ আছিল। বাদী নং ২, খবৰদাতা- আব্দুল হাই লসকৰে সাক্ষ্য দিছিল যে, অপৰাধীৰ বয়স ১৩/১৪ বছৰ আছিল। অৱশ্যে, বাদী নং ৩- শ্ৰীমতী হাছমত আৰা বেগমে এই বিষয়ত নীৰৱতা বজাই ৰাখিছিল। বাদী নং ২- আব্দুল হাই লসকৰে ছোৱালীজনীৰ বয়সৰ ভিত্তি দেখুৱাব পৰাকৈ নথি-পত্ৰত একো নাছিল। এইটো অতি অস্বাভাৱিক যেন লাগে কাৰণ ভুক্তভোগী ছোৱালীৰ পৰিয়ালৰ কোনো সদস্যই ঘটনা সংক্ৰান্তত অহা নাই। ছোৱালীজনীৰ পিতৃ-মাতৃ বা তেওঁলোকৰ কোনোবা এজন বা পৰিয়ালৰ আন কোনো সদস্যই ছোৱালীজনীৰ বয়সৰ ক্ষেত্ৰত আটাইতকৈ নিৰ্ভৰযোগ্য আৰু প্ৰকৃত সাক্ষী হ'ব পাৰে। বাদী নং ২- আব্দুল হাই লসকৰে তেওঁৰ examination-in-chief (সাক্ষ্য)ত এনেদৰে উল্লেখ কৰিছে-

> "পিছত ছোৱালীজনীৰ মাক আহিছিল আৰু তাইক লৈ গৈছে। বৰ্তমান তাই পিতৃ-মাতৃৰ সৈতে আছে।"

১২. সেয়েহে, ভুক্তভোগী ছোৱালীৰ পিতৃ-মাতৃ বা পৰিয়ালৰ আন সদস্য নাছিল বুলি ধৰিব নোৱাৰি। বিচাৰপক্ষই তেওঁৰ নিয়োগকর্তা বাদী নং ২- আব্দুল হাই লসকৰ আৰু তেওঁৰ পত্নী বাদী নং ৩- হাছমত আৰা বেগমক পৰীক্ষা কৰিছিল, যদিও, বয়সৰ ক্ষেত্রত ছোৱালীজনীৰ পৰিয়ালৰ কোনো সদস্যক পৰীক্ষা কৰা নাছিল।

১৩. পক্ষৰ কর্তব্য হ'ল- নিজৰ হাতত থকা সর্বশ্রেষ্ঠ প্রমাণৰ নেতৃত্ব দিয়া যি বিতর্কিত বিষয়টোৰ ওপৰত আলোকপাত কৰিব পাৰে আৰু যদি এনে বস্তুগত প্রমাণ ব্যৱহাৰ কৰা নহয়, তেন্তে আদালতে Evidence Act-ৰ ধাৰা ১১৪-ৰ illustration (জি)ৰ অধীনত বিৰূপ সিদ্ধান্ত ল'ব পাৰে, যদিও onus of proof (প্রমাণৰ দায়িত্ব) এনে পক্ষৰ ওপৰত নাছিল লগতে উক্ত সাক্ষ্য দিবলৈ আহ্বান জনোৱা হোৱা নাছিল **(গোপাল কৃষ্ণাজী কেতকাৰ** বনাম **মহম্মদ হাজি লতিফ আৰু অন্যান্য,** এ. আই. আৰ. ১৯৬৮ এছ. চি. ১৪১৩)।

১৪. বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে সম্পূর্ণ পৃথক তথ্যৰ বিবেচনা কৰিছিল। বিচাৰ আদালতৰ আগত অপৰাধীৰ গোচৰটো আছিল যে, ভুক্তভোগী ছোৱালীয়ে চুলেমানৰ সৈতে চিৰিয়াখানালৈ গৈছিল আৰু চিৰিয়াখানাৰ পৰা উভতি অহাৰ পিছত আপীলকাৰীয়ে দুয়োকে একেলগে দেখি চুলেমানক চৰ মাৰিছিল। যি পলাই গৈছিল আৰু তাৰ পিছত চিনেমা চাবলৈ লৈ যোৱাৰ অজুহাতত আপীলকাৰীয়ে ভুক্তভোগী ছোৱালীক লৈ গৈছিল আৰু ঘূৰি ফুৰিছিল; তাইক ৰিক্সা এখনত উঠাই হোটেললৈ লৈ গৈছিল য'ত, তাইক ৰখা হৈছিল আৰু ধর্ষণ কৰা হৈছিল। অৱশ্যে, উচ্চ ন্যায়ালয়ৰ আগত গোচৰটো সম্পূর্ণ পৃথক আছিল কিয়নো, উচ্চ ন্যায়ালয়ৰ ৰায়ৰ ৫ নং দফাত কোৱা হৈছে যে, যেতিয়া ভুক্তভোগী ছোৱালীজনী খবৰদাতা বাদী নং ২ আব্দুল হাই লসকৰৰ ঘৰৰ পৰা ওলাই আহিছিল তেতিয়া, আপীলকাৰীয়ে তেওঁক লগ পাইছিল আৰু তেওঁক এখন চিনেমা চাবলৈ লৈ যোৱাৰ প্রস্তাৱ দিছিল আৰু তাই তেওঁৰ সৈতে গৈছিল। দফা নং ২-ত উচ্চ ন্যায়ালয়ে এই তথ্য

উল্লেখ কৰিছে যে, বাদী নং ২- আব্দুল হাই লসকৰৰ দ্বাৰা দাখিল কৰা FIR অনুসৰি, "পূৰ্বৰ সন্ধিয়াটোত অভিযুক্ত আপীলকাৰী মুছাউদ্দিন আহমেদ @মুছা ঘৰত প্ৰৱেশ কৰিছিল আৰু তেওঁৰ পৰিচাৰিকাক বলপূৰ্বক অপহৰণ কৰিছিল।" ঘটনাটোৰ বাস্তৱিক দিশৰ সন্দৰ্ভত বস্তুগত বৈপৰীত্য আছিল। তদন্তকাৰী বিষয়াজনে ভুক্তভোগী ছোৱালী আৰু ঘটনা সংঘটিত হোৱা স্থানৰ পৰা কাপোৰ, তেজৰ নমুনা আদিৰ দৰে কোনো সামগ্ৰী কিয় জব্দ কৰা নাই সেই সম্পৰ্কে কোনো ব্যাখ্যা দেখুৱাবলৈ বা উপস্থাপন কৰিবলৈ নথিত একো নাই। বাদী নং ৪- ভুক্তভোগী ছোৱালী- মীৰা বেগমে তেওঁৰ সাক্ষ্যত এনেদৰে উল্লেখ কৰিছেঃ

> "তেওঁ মোক পল্টন বজাৰৰ এটা কোঠালৈ লৈ গৈছিল। তাত অভিযুক্তজনে বলপূৰ্বকভাৱে মোৰ কাপোৰ ফালি দিয়ে।"

১৫. ফাটি যোৱা কাপোৰবোৰ তদন্তকাৰী বিষয়াজনে উদ্ধাৰ কৰা নাছিল। তদন্তকাৰী বিষয়াই আপীলকাৰীৰ পৰা বীৰ্য্য, তেজৰ নমুনা আদি লোৱাৰ কোনো প্ৰয়াস কৰা নাছিল, যিয়ে গোচৰীয়াপক্ষক আপীলকাৰীৰ স্বাস্থ্যপৰীক্ষাৰ প্ৰতিবেদন লাভ কৰাৰ সুযোগ দিব পাৰিছিল কিয়নো, আপীলকাৰীৰ অপৰাধ প্ৰমাণ কৰাটো প্ৰয়োজনীয় আছিল। আপীলকাৰী বা ভুক্তভোগী ছোৱালীক চিনাক্ত কৰিবলৈ হোটেলৰ পৰা কোনো লোকক পৰীক্ষা কৰা হোৱা নাই কাৰণ, তদন্তকাৰী বিষয়াই কেৱল হোটেলখনৰ পঞ্জীয়নবহী জব্দ কৰি প্ৰমাণ কৰিছে যে, সেই ১০২ নং কোঠাটো আপীলকাৰী মুছাউদ্দিন আহমেদ আৰু মাৰ্জিনা বেগমৰ নামত স্বামী-পত্নী হিচাপে ভাড়াত লৈছিল। স্বীকাৰ কৰিব পাৰি যে, ভুক্তভোগী ছোৱালী নাম- মাৰ্জিনা বেগম নাছিল। সেয়েহে, হোটেলখনৰ কোনো এজনক ছোৱালীজনীৰ লগতে আপীলকাৰীক চিনাক্ত কৰিবলৈ পৰীক্ষা কৰা উচিত আছিল।

১৬. ৰাজ্যৰ স্থায়ী পৰামৰ্শদাতা- শ্ৰীযুত জুনিয়ৰ লুৰাঙে আদালতক সন্তুষ্ট কৰিব নোৱাৰিলে যে, কোনোধৰণৰ ভাবুকি বা বলপ্ৰয়োগৰ অভিযোগ নথকা অৱস্থাত ভুক্তভোগী ছোৱালীয়ে কিয় হুলস্থূল কৰিব নোৱাৰিলে বা ৰাস্তাত থকা কোনো ব্যক্তিক অৱগত কৰিব নোৱাৰিলেহেঁতেন। অথবা আনকি হোটেলখনৰ স্বতন্ত্ৰ সাক্ষী বা এজনো কৰ্মচাৰীক কিয় পৰীক্ষা কৰা হোৱা নাছিল আৰু ভুক্তভোগী ছোৱালীৰ পিতৃ-মাতৃক তাইৰ বয়স জানিবলৈ কিয় পৰীক্ষা কৰা হোৱা নাছিল সেই বিষয়েও তেওঁ ব্যাখ্যা কৰিব পৰা নাছিল।

১৭. দেখা যায় যে, ভুক্তভোগী ছোৱালীজনী যৌন সম্ভোগত অভ্যস্ত এগৰাকী মহিলা আৰু এগৰাকী ভ্ৰষ্ট চৰিত্ৰৰ মহিলা। আনন্দৰ বাবে কোনো পৰিচিত ব্যক্তিৰ সৈতে সম্ভোগ কৰা আৰু মুক্তভাৱে চলা-ফুৰা কৰাত তেওঁৰ কোনো আপত্তি নাছিল। এনেদৰে, তেওঁক এগৰাকী টুলুঙা মহিলা ৰূপে চৰিত্ৰায়িত যায়।

১৮. ওপৰোক্ত ক্ষেত্ৰত, আমি বিবেচনা কৰি মতপোষণ কৰোঁ যে, গোচৰীয়া পক্ষই আপীলকাৰীৰ বিৰুদ্ধে যুক্তিসঙ্গত সন্দেহৰ বাহিৰে নিজৰ গোচৰটো প্ৰমাণ কৰাত ব্যৰ্থ হৈছিল। আপীলৰ অনুমতি দিয়া হয়। উচ্চ ন্যায়ালয় আৰু বিচাৰ আদালতৰ বিচাৰাধীন ৰায় বাতিল কৰা হয়। আপীলকাৰীক IPC-ৰ ৩৭৬ ধাৰাৰ অধীনত অভিযোগৰ পৰা মুক্ত কৰি দিয়া হয়। আপীলকাৰী জামিনত আছে। তেওঁৰ জামিননামাবোৰ সম্পন্ন কৰা হয়।

ন্যায়াধীশ ....................

(ড. মুকুন্দকাম শৰ্মা)

ন্যায়াধীশ ......................

(ড. বি. এছ. চৌহান)

নতুন দিল্লী; ৬ জুলাই, ২০০৯

-------------------------------------------------

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"